

# ফুট্‌বোৰ লগ লগাওঁ আহা—





- *শিশুসকলক বাওঁফালৰ পৰা সোঁফাললৈ ফুট্‌বোৰ সংযোগ কৰিবলৈ দিব।*
- *প্ৰাক্-লিখনৰ বাবে কাৰ্যপত্ৰৰ জৰিয়তে এনেধৰণৰ অধিক ক্ৰিয়া-কলাপ কৰাব।*
- *সঠিকভাৱে পেঞ্চিল ধৰি শিশুসকলক নিজৰ পছন্দৰ ছবি আঁকিবলৈ দিব।*

## গণনা কৰোঁ আহা—











- আঙুলি আৰু ছবিৰ বলটোৰ লগতে অন্যান্য বাস্তৱ বস্তু আৰু বিভিন্ন কাৰ্যৰ জৰিয়তে ১ গণনা কৰিবলৈ শিকাব, যেনে- নিজৰ হাতৰ এটা আঙুলি, এটা নাক দেখুৱাই ১ সংখ্যাটো গণনা কৰিবলৈ শিকাব।
- ফুট্‌বোৰ সংযোগ কৰি সঠিক দিশেৰে ১ লিখিবলৈ শিকাব আৰু ১ সংখ্যাৰ লগত পৰিচয় কৰাব।
- মজিয়াত ডাঙৰকৈ ১ লিখি দি শিশুসকলক দলগতভাৱে কাগজৰ সৰু বল বনাই পৰিসীমাত থ'বলৈ দিব।

# ৰঙৰ লগত চিনাকি হওঁ আহা—






☞ *শিশুসকলক ৰং তিনিটা চিনাক্ত কৰি নাম ক'বলৈ দিব। (ৰঙা, নীলা আৰু হালধীয়া)*

☞ *ৰঙা, নীলা আৰু হালধীয়া ৰঙেৰে বলটোৰ পৰিসীমাৰ ভিতৰত ৰং কৰিবলৈ দিব।*


☞ *পৰিৱেশত পোৱা এনে ৰঙৰ বিভিন্ন সামগ্ৰী আনি শিশুসকলক দেখুৱাই কি ৰঙ চিনাক্ত কৰি ক'বলৈ দিব।*


☞ *শিশুসকলক নিজৰ আশে পাশে থকা বস্তু/ব্যক্তি/প্ৰাণী নিজে উদ্ভাৱন কৰা বানানেৰে লিখিবলৈ উৎসাহিত কৰিব।*

## গণনা কৰোঁ আহা—











- ছবিত দিয়া ফুলকেইটাৰ লগতে অন্যান্য বাস্তৱ বস্তু আৰু বিভিন্ন কাৰ্যৰ জৰিয়তে ২ লৈ গণনা কৰিবলৈ শিকাব,যেনে- নিজৰ হাতৰ দুটা আঙুলি, দুটা চকু দেখুৱাই ২ লৈ গণনা কৰিবলৈ শিকাব।
- ফুট্‌বোৰ সংযোগ কৰি সঠিক দিশেৰে ২ লিখিবলৈ শিকাব আৰু ২ সংখ্যাৰ লগত পৰিচয় কৰাব।
- শিশুসকলে নিজৰ পছন্দ অনুসৰি দুজনীয়া দল গঠন কৰি এজনে আনজনক নিজৰ ভাষাত পৰিচয় দিব।


## যোৰ বিচাৰোঁ আহা—




- *কেইটা ঘূৰণীয়া, কেইটা তিনিকোণীয়া আৰু কেইটা চাৰিকোণীয়া আছে গণনা কৰি ক'বলৈ দিব আৰু দুই সংখ্যাৰ ধাৰণা দিব।*
- *একে আকৃতিৰ ছবি দুটা বিচাৰি উলিয়াই আঁচ টানি মিলাবলৈ দিব আৰু একে ৰং দিবলৈ দিব। যেনে- চাৰিকোণীয়াত সেউজীয়া, তিনিকোণীয়াত হালধীয়া আৰু ঘূৰণীয়াত ৰঙা ৰং। স্বতন্ত্ৰভাৱে কাৰ্যবোৰ সম্পাদন কৰাটো নিশ্চিত কৰিব।*

## গণনা কৰোঁ আহা—











- ছবিত দিয়া ৰঙালাউকেইটাৰ লগতে অন্যান্য বাস্তৱ বস্তু আৰু বিভিন্ন কাৰ্যৰ জৰিয়তে ৩ লৈ গণনা কৰিবলৈ শিকাব আৰু ৩ সংখ্যাৰ লগত পৰিচয় কৰাব। যেনে- নিজৰ হাতৰ তিনিটা আঙুলি, তিনিটা ৰিক্সাৰ চকাৰ ছবি, তিনিপাহ ফুলৰ ছবি আদি দেখুৱাই ৩ সংখ্যাটো গণনা কৰিবলৈ শিকাব।
- ফুটবোৰ সংযোগ কৰি সঠিক দিশেৰে ৩ লিখিবলৈ শিকাব।

## গণনা কৰোঁ আৰু ৰং কৰোঁ আহা—





- ☞ কেইটা ৰঙালাউ আছে গণনা কৰিবলৈ দিব।
- ☞ ৰঙালাউৰ ছবিকেইটা পৰিসীমাৰ ভিতৰত ৰং কৰিবলৈ দিব।
- ☞ শিশুসকলক নিজৰ পছন্দ অনুযায়ী ৩ জনীয়া দলত ভাগ হ'বলৈ দিব। দলৰ প্ৰত্যেক সদস্যকে ১ৰ পৰা ৩ লৈ গণিবলৈ দিব।

## গণনা কৰোঁ আহা—









- ছবিত দিয়া বেলুনকেইটাৰ লগতে অন্যান্য বাস্তৱ বস্তু আৰু বিভিন্ন কাৰ্যৰ জৰিয়তে ৪ লৈ গণনা কৰিবলৈ শিকাব আৰু ৪ সংখ্যাৰ লগত পৰিচয় কৰাব। যেনে- নিজৰ হাতৰ চাৰিটা আঙুলি, চাৰিটা চকা আৰু চাৰিটা ফুল আদিৰ ছবি দেখুৱাই ৪ সংখ্যাটো গণনা কৰিবলৈ শিকাব।
- ফুট্‌বোৰ সংযোগ কৰি সঠিক দিশেৰে ৪ লিখিবলৈ শিকাব।
- মজিয়াত চাৰিটা ঘৰ আঁকি দিব। ঘৰকেইটাত একাদিক্ৰমে ১, ২, ৩, ৪ সংখ্যাকেইটা লিখা থাকিব। শিশুসকলক জঁপিয়াই ঘৰকেইটা অতিক্ৰম কৰিবলৈ দিব।